Total No. of Printed Pages—7

**X/19/AS (N)**

**2 0 1 9**

**ASSAMESE**

( INDIAN LANGUAGE )

( New Course )

**( FOR REGULAR CANDIDATES ONLY )**

*Full Marks* : 80
*Pass Marks* : 24

*Time* : 3 hours

*General Instructions* :

(i) The Candidates are advised to attempt all questions accordingly.

(ii) Marks allocated to every question are indicated against each.

**( গদ্য ভাগ )**

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ *এটা* শব্দ বা বাক্যৰে দিয়া : ১×৫=৫

(ক) ছাত্ৰ অৱস্থাত মনৰ গতি কেনেকুৱা হ'ব লাগে ?

(খ) ভাৰতীয় সংস্কৃতিৰ প্ৰাণ কি ?

(গ) প্ৰাচীন অসমীয়া সাহিত্যৰ সমল কি ?

(ঘ) কোনখন গ্ৰন্থ প্ৰকাশৰ পিছত নিউটনৰ প্ৰতিভাৰ কথা বিদ্বৎমহলে গম পাইছিল ?

(ঙ) আব্দুজ ছাত্তাৰদেৰৰ জন্মস্থান ক'ত ?

২। পাঠ্যপুথিত থকাৰ দৰে খালী ঠাই পূৰ কৰা : ১×৫=৫

(ক) শিক্ষাৰ্থী অৰ্থাৎ ছাত্ৰৰ ______ সঁচাকৈয়ে উন্নতিৰ ঘাই মন্ত্ৰ।

(খ) ______ বেদত দেৱী পূজাৰ কোনো উল্লেখ নাই।

(গ) সংস্কৃতিৰ ______ ধাৰাই হৈছে ভাৰতীয় জীৱনৰ মূল সম্পদ।

(ঘ) বৃটিছ আহিল ______ সন্ধিৰ পাছত।

(ঙ) ______ পৰীক্ষাভিত্তিক নহ'লে অৰ্থহীন আৰু ক্ৰটিপূৰ্ণ হয়।

৩। শুদ্ধ নে অশুদ্ধ লিখা : ১×৫=৫

(ক) ভাৰতীয় সংস্কৃতি মৰ্মস্থলী সুসংগঠিত আৰু টনকিয়ালবিধৰ আছিল।

(খ) হেমচন্দ্ৰ বৰুৱা আছিল যুগস্ৰষ্টা সাহিত্যিক।

(গ) 'এলমেজেষ্ট' গ্ৰন্থখনৰ ৰচক গেলিলিও।

(ঘ) ১৬৬৭ চনৰ জুলাই মাহত 'প্ৰিনচিপিয়া' প্ৰকাশ হয়।

(ঙ) এটা সময়ত অসমৰ আৰ্য সংস্কৃতিতকৈ প্ৰাক্-আৰ্য সংস্কৃতিহে বেছি গুৰুত্বপূৰ্ণ আছিল।

৪। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা :

(ক) লণ্ডনৰ ৰয়েল ছ'চাইটি কেতিয়া স্থাপন হৈছিল? এই ছ'চাইটিৰ সৈতে নিউটন কেনেদৰে জড়িত হৈছিল, বুজাই লিখা। ৫

(খ) লেখক ডিম্বেশ্বৰ নেওগৰ মতে ছাত্ৰ জীৱনৰ প্ৰকৃত উদ্দেশ্য কি কি? ছাত্ৰসকলে কাৰ্যকৰী শিক্ষা ক'ৰ পৰা, কিদৰে লাভ কৰিব পাৰে? ২+৩=৫

(গ) "অসমৰ বৈচিত্ৰ্যপূৰ্ণ জনগোষ্ঠীৰ গাঁথনিতে অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্য ৰক্ষা পৰিছে।" কথাষাৰৰ গুৰুত্ব ব্যাখ্যা কৰি অসমৰ জনগোষ্ঠীৰ বৈচিত্ৰ্যৰ কথা বৰ্ণনা কৰা। ৫

**( পদ্য ভাগ )**

৫। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ *এটা* শব্দ বা বাক্যৰে দিয়া : ১×৫=৫

(ক) তোমাৰ পাঠ্যপুথিৰ অন্তৰ্গত ‘বৰগীত’টি কোনে ৰচনা কৰিছিল?

(খ) ‘জিকিৰ’ শব্দটো কি শব্দৰ পৰা ওলাইছে?

(গ) দেৱকান্ত বৰুৱাৰ একমাত্ৰ কবিতা-পুথিৰ নাম কি?

(ঘ) ‘ৰাতিৰ শোভাযাত্ৰা’ কবিতা-পুথিৰ ৰচক কোন?

(ঙ) নিজৰ ঘৰ বিচাৰি নোপোৱা মানুহজন কি আছিল?

৬। তলত দিয়া যি কোনো **এটা** কবিতাৰ মূল ভাৰ চমুকৈ লিখা : ৫

(ক) বৰগীত

(খ) জিকিৰ

৭। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫

(ক) ‘‘বৰ শান্তিত আছোঁ
এই পঁজাটিত’’

কোনে, কিয় এইদৰে কৈছিল? কথাষাৰৰ অন্তৰ্নিহিত ভাৰ বহলাই লিখা। ২+৩=৫

(খ) ‘‘বাৰে বাৰে সাজিছে কাৰেং
বিশ্ব সভ্যতাৰ’’

কবিতাংশৰ জৰিয়তে কবিয়ে বিশ্ব সভ্যতাৰ কাৰেং সজা বুলি কিহক বুজাইছে, বিশ্লেষণ কৰা। ৫

**( দ্ৰুত পাঠ )**

৮। তলত দিয়া যি কোনো **পাঁচটা** শব্দৰ অৰ্থ লিখা : ১×৫=৫

বাগী ; কৃতজ্ঞ ; মাধুৰ্য ; ধেনুভিৰীয়া ; নিমাখিত ; শুকনী ; উপলব্ধি।

৯। চমু টোকা লিখা (যি কোনো **দুটা**) : $২\frac{১}{২}×২=৫$

(ক) সুশীল ঠাকুৰ

(খ) খুঁটি বৰশী

(গ) সৰস্বতী পূজা

(ঘ) পাংখাৱালা

১০। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫

(ক) ভবেন্দ্ৰনাথ শইকীয়াই ভাৰত স্বাধীন হোৱা দিনটো কেনেকৈ উপভোগ কৰিছিল?

(খ) সপ্তম শ্ৰেণীত ভৰি দিয়াৰ সময়ত লেখকৰ মন কেনে লাগিছিল? তেওঁ কি কি পৰিৱৰ্তন দেখিছিল? কি কি মনেৰে উপলব্ধি কৰিছিল?

**( ব্যাকৰণ ভাগ )**

১১। পদৰ শ্ৰেণীবিভাজন কৰি প্ৰত্যেকৰে একোটাকৈ উদাহৰণ দিয়া। ৫

*অথবা*

স্ত্ৰী-প্ৰত্যয় কাক বোলে ? অসমীয়া ভাষাত স্ত্ৰী-প্ৰত্যয় কি কি ? উদাহৰণসহ সিহঁতৰ ব্যৱহাৰ উল্লেখ কৰা। ১+১+৩=৫

১২। সন্ধি ভাঙা আৰু যোৰা লগোৱা (যি কোনো **পাঁচটা**) : ১×৫=৫

হিমালয় ; পঞ্চামৃত ; পৰীক্ষা ; অতি+ইন্দ্ৰিয় ; পৰম+ঈশ্বৰ ; নৈ+অক ; সূৰ্যোদয়।

১৩। তোমাৰ পৰীক্ষাৰ খবৰ জনাই তোমাৰ বন্ধু/বান্ধবীলৈ এখন পত্ৰ লিখা। ৫

*অথবা*

বিদ্যালয়ৰ অনুষ্ঠানত সভাপতিত্ব কৰাৰ বাবে সন্মানীয় অতিথিলৈ অনুৰোধ কৰি এখন পত্ৰ লিখা।

১৪। তলৰ খণ্ড-বাক্যকেইটাৰ অৰ্থ প্ৰকাশ পোৱাকৈ বাক্য ৰচনা কৰা (যি কোনো **পাঁচটা**) : ১×৫=৫

আলাসৰ লাডু ; বিনা মেঘে বজ্ৰপাত ; বাপতি-সাহোন ; ভোটাতৰা ; সময়ৰ শৰ ; হাতত সাৰে ভৰিত সাৰে ; আটোমটোকাৰি।

*অথবা*

তলৰ যি কোনো **এছোৱাৰ** ভাৱ-সম্প্ৰসাৰণ কৰা : ৫

(ক) অভ্যাসৰ নৰ কৰ্ণ পথে কৰে শৰ।

(খ) উলুৰ লগত বগৰী পোৰা যোৰা।

১৫। তলৰ যি কোনো **এটা** বিষয় বাছি লৈ এখন ৰচনা লিখা : ১০

(ক) মেঘালয়ৰ প্ৰাকৃতিক সৌন্দৰ্য

(খ) পৰিবেশ প্ৰদূষণ আৰু ইয়াৰ প্ৰতিকাৰ

(গ) বিশ্বকাপ ফুটবল

(ঘ) তোমাৰ এটি ভ্ৰমণ কাহিনী

★★★